6. বৃত্ত এটাৰ সমমিতি ৰেখাৰ সংখ্যা কিমান?

7.  চিত্ৰটোৰ সমমিতি ৰেখা কেইডাল হ'ব?

8. তলত দিয়া চিত্ৰসমূহৰ পৰা সমমিত আৰু অসমমিত চিত্ৰবোৰ বাছি উলিওৱা—




## 14.3 ঘূৰ্ণন সমমিতি ঃ

কিছুমান আকৃতিক কোনো ৰেখাৰে ভাঁজ কৰিলে ভাঁজৰ দুয়োফালৰ অংশ দুটা হুবহু একে থকাৰ দৰে বহু সময়ত আকৃতি এটাক কোনো বিন্দু সাপেক্ষে ঘূৰালেও পূৰ্বৰ অৱস্থানৰ সৈতে একে দেখা যায়। গতিকে ৰৈখিক এটা সমমিতিৰ দৰে আকৃতিৰ ঘূৰ্ণনৰ ওপৰত নিৰ্ভৰশীল আন এক ধৰণৰ সমমিতিৰ কথাও ভাবিব পৰা যায়। এই ক্ষেত্ৰত পোনতে আমি ঘূৰ্ণনৰ বিষয়ে কিছু কথা জানি লওঁ আহা।

### 14.3.1 ঘড়ীৰ কাঁটাৰ ঘূৰ্ণন ঃ

সময়ৰ হিচাপ ৰাখিবলৈ আমি প্ৰায় সকলোৱেই হাতত ঘড়ী পিন্ধোঁ। ব্যক্তিগত ঘৰ, চৰকাৰী, বেচৰকাৰী বিভিন্ন কাৰ্যালয়ৰ দেৱালতো তোমালোকে ঘড়ী ওলোমাই ৰখা নিশ্চয় দেখিছা। এই ঘড়ীবোৰত সাধাৰণতে দুডাল কাঁটা থাকে — এডাল ঘণ্টাৰ কাঁটা আৰু আনডাল মিনিটৰ কাঁটা। দুয়োডাল কাঁটাই ঘড়ীৰ ডায়েলখনত 1ৰ পৰা 12 লৈ থকা সাংখ্যিক চিহ্ন বা তেনেধৰণৰ সময় নিৰ্দেশক অন্য কোনো চিহ্নক অতিক্ৰম কৰি ঘূৰি থাকে। দিশ আৰু ওলোটা দিশটোৰ ঘড়ীৰ কাঁটাৰ এটা বস্তু কোনো বিন্দু সাপেক্ষে ঘূৰিলে তাৰ ঘূৰ্ণনৰ দিশ বুজাবলৈ ঘড়ীৰ কাঁটাৰ দিশ নাইবা তাৰ বিপৰীত দিশৰ সৈতে তুলনা কৰা হয়।




(i) ঘড়ীৰ চিত্ৰ

চিত্ৰ- 14.14

এতিয়া আমি ঘৰুৱা কামত ব্যৱহাৰ হোৱা কিছুমান সামগ্ৰীৰ ঘূৰ্ণনলৈ মন কৰোঁহক।

তোমালোকে যেতিয়া চাইকেল চলোৱা ইয়াৰ চকা দুটা, পেডেল আৰু চেইন প্ৰত্যেকেই ঘূৰিবলৈ লয়। এইবোৰৰ ঘূৰ্ণনৰ দিশ কি? যদি চলন্ত চাইকেলখন তোমালোকে সোঁফালৰ পৰা চোৱা, দেখিবা যে চকা, পেডেল আৰু চেইন প্ৰত্যেকেই ঘড়ীৰ কাঁটাৰ দিশত ঘূৰিছে। আনহাতে, যদি ইয়াক বাওঁপিনৰ পৰা লক্ষ্য কৰা, দেখিবা, এইবোৰৰ প্ৰতিটোৱেই ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘূৰিছে। চলি থকা বিজুলী বিচনীলৈ লক্ষ্য কৰা। তলৰ পৰা চালে ই ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘূৰি থকা দেখা যায়, কিন্তু কোনো প্ৰকাৰে ইয়াক ওপৰৰ পৰা চাব পাৰিলে ঘড়ীৰ কাঁটাৰ দিশত ঘূৰা দেখা যাব। কেতিয়াবা যঁতৰত সূতা কটা দেখিছানে? যঁতৰৰ হেণ্ডেল, চকা, মাল ডাল (চকাটো ঘূৰোৱা সূতাডাল) আৰু মহুৰাটো আটাইকে যঁতৰ চলোৱা মানুহজনে ঘড়ীৰ কাঁটাৰ দিশত ঘূৰি থকা দেখিব। কিন্তু বিপৰীত ফালৰ পৰা এইবোৰৰ ঘূৰণ ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত হোৱা দেখা যাব।



(i) বিজুলী বিচনী (ii) যঁতৰ

চিত্ৰ- 14.15

### 14.3.2 ঘূৰ্ণন কেন্দ্ৰ আৰু ঘূৰ্ণন কোণ ঃ

যেতিয়া কোনো এটা বস্তুৱে ঘূৰিবলৈ লয় তেতিয়া ইয়াৰ বিভিন্ন অংশৰ অৱস্থান সলনি হয়, কিন্তু আকাৰ আৰু আকৃতি একেই থাকে। মন কৰিবা যে বস্তুটোৱে ঘূৰোঁতে কোনো এটা বিন্দুক কেন্দ্ৰ কৰি ঘূৰে।

যিটো বিন্দুক কেন্দ্ৰ কৰি বস্তু এটা ঘূৰে তাক বস্তুটোৰ ঘূৰ্ণন কেন্দ্ৰ বা আৱৰ্তন কেন্দ্ৰ (Centre of rotation) বোলা হয়।

আকৌ, যেতিয়া বস্তু এটাই তাৰ কোনো বিন্দু সাপেক্ষে ঘূৰে, সেই ঘূৰণ কেন্দ্ৰটোৰ বাহিৰে বস্তুটোৰ আন সকলো বিন্দুৱেই ঘূৰ্ণনৰ দিশত নিজৰ নিজৰ অৱস্থান যিকোনো বিন্দুৰ প্ৰাথমিক আৰু অন্তিম অৱস্থান দুটাই ঘূৰ্ণন কেন্দ্ৰৰ সৈতে কৰা কোণটো একে। এই কোণটোক বস্তুটোৰ ঘূৰ্ণন কোণ বোলা হয়।

এটি সহজ কাৰ্যৰ দ্বাৰা কথাটো বুজিবলৈ চেষ্টা কৰোঁ আহা।

কাৰ্ডব'ৰ্ড এখনৰ পৰা এটা যিকোনো ত্ৰিভুজ $\Delta ABC$ কাটি উলিওৱা। ড্ৰয়িং চিট এখনত $\Delta ABC$ ক ৰাখি ইয়াৰ কোনো বিন্দু O অত পিন এটা এনেভাৱে পুতি লোৱা যাতে ড্ৰয়িং চিটখনৰ ওপৰেৰে $\Delta ABC$ ক O সাপেক্ষে ঘূৰাব পৰা যায়। $\Delta ABC$ ৰ শীৰ্ষবিন্দু A, B, C ৰ অৱস্থান অনুসৰি পেঞ্চিলেৰে ড্ৰয়িং চিটখনত

একোটাকৈ ফুট দিয়া আৰু ড্ৰয়িং চিটখনতো ফুট কেইটাক যথাক্ৰমে A, B, C ৰ নামকৰণ কৰা। এতিয়া ত্ৰিভুজটোক O সাপেক্ষে ঘড়ীৰ কাঁটাৰ দিশত ঘূৰোৱা। নতুন অৱস্থানত ত্ৰিভুজটোৰ শীৰ্ষবিন্দু A, B, C ৰ বাবে ড্ৰয়িং চিটখনত আকৌ একোটাকৈ ফুট দিয়া আৰু এইবোৰক যথাক্ৰমে A', B', C' ৰে নামকৰণ কৰা। কাৰ্ডব'ৰ্ডৰ ত্ৰিভুজটো আঁতৰাই দি OA, OB, OC OA', OB', OC' ৰেখাখণ্ড কেইটাক স্কেল আৰু পেঞ্চিলৰ সহায়ত আঁকা।

কোণ মাপকৰ সহায়ত ∠AOA', ∠BOB', ∠COC' জুখি উলিওৱা। কোণবোৰ একেই পাইছানে?

কাৰ্যটোৰ পৰা বুজিব পাৰিছা যে ঘূৰণ কেন্দ্ৰ O সাপেক্ষে ΔABC ৰ ঘূৰ্ণনৰ ফলত তিনিওটা শীৰ্ষবিন্দুৱে সমান সমান কোণত ঘূৰিছে। গতিকে, ∠AOA' = ∠BOB' = ∠COC'



চিত্ৰ- 14.16

**মন কৰা—**

ত্ৰিভুজটোৰ শীৰ্ষবিন্দু কেইটা নলৈ O ৰ বাহিৰে অন্য যিকোনো বিন্দু ল'লেও কোণটো একেই পাবা। ইয়াত ΔABC ৰ $360^0$ ৰ ঘূৰ্ণন মানে ঘূৰ্ণন কেন্দ্ৰ O সাপেক্ষে ঘড়ীৰ কাঁটাৰ দিশত সম্পূৰ্ণ এপাক ঘূৰণ। গতিকে ত্ৰিভুজটোৰ শীৰ্ষবিন্দু A, B, C সহ সকলো বিন্দুৱেই ঘড়ীৰ কাঁটাৰ দিশত O ৰ চাৰিওফালে সম্পূৰ্ণ এপাক মাৰিব আৰু পূৰ্বৰ নিজ নিজ স্থানলৈ ঘূৰি আহিব। অৰ্থাৎ $360^0$ বা সম্পূৰ্ণ এপাক ঘূৰ্ণনৰ ফলত ΔABC পূৰ্বৰ দৰে একেই দেখা যাব।

গতিকে, ত্ৰিভুজটোৰ ঘূৰ্ণন সমমিতিৰ ক্ৰম 1। কিন্তু যিকোনো চিত্ৰ বা আকৃতিৰ বাবেই ই সত্য।

এনে কোনো চিত্ৰ বা আকৃতি আছেনে যাৰ ঘূৰণ কোণ $360^0$ তকৈ কম হ'লেও আগৰ অৱস্থান সৈতে একে দেখা যায়।

চিত্ৰ- 14.17 মন কৰা। ই হ'ল দুখন ব্লেড থকা বিজুলী বিচনীৰ আৰ্হি। O বিন্দুৰে শলা এডাল সুমুৱাই ইয়াক বিভিন্ন কোণত ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাই চোৱা।



চিত্ৰ- 14.17




চিত্র- 14.18

এক চতুৰ্থাংশ পাক অৰ্থাৎ $90^0$ কোণত ঘূৰালে ই চিত্ৰ (i) ত দেখাৰ দৰে হ'ব।

আধাপাক অৰ্থাৎ $180^0$ কোণত ঘড়ীৰ কাঁটাৰ দিশত ঘূৰালে ইয়াক চিত্ৰ (ii) ত দেখাৰ দৰে হ'ব। মন কৰা যে চিত্ৰ (ii) আৰু চিত্ৰ- 14.17 দেখাত একেই।

একেদৰে ঘড়ীৰ কাঁটাৰ দিশত তিনি চতুৰ্থাংশ পাক অৰ্থাৎ $270^0$ কোণত ঘূৰালে ই চিত্ৰ (iii) ৰ দৰে হ'ব।

শেষত, ঘড়ীৰ কাঁটাৰ দিশত সম্পূৰ্ণ এপাক অৰ্থাৎ $360^0$ কোণত ঘূৰালে ই চিত্ৰ- 14.17 ত দেখাৰ দৰে হ'ব।

দেখা গ'ল যে, দুখন ব্লেড থকা বিজুলী বিচনীখনক ঘড়ীৰ কাঁটাৰ দিশত ঘূৰালে দুটা ক্ৰমত অৰ্থাৎ আধাপাক ($180^0$) আৰু সম্পূৰ্ণ এপাক ($360^0$) ত ইয়াক একে দেখি।

আকৃতি এটাক যদি তাৰ কোনো বিন্দু সাপেক্ষ নিৰ্দিষ্ট কোণত ঘূৰালে দেখাত একেই থাকে তেন্তে ইয়াৰ ঘূৰণ সমমিতি থকা বুলি কোৱা হয়, লগতে সম্পূৰ্ণ এপাকত আকৃতিটোক যিমানবাৰ একে দেখি সেই সংখ্যাটোক আকৃতিটোৰ ঘূৰণ সমমিতি বোলা হয়।

আমি আলোচনা কৰা দুখন ব্লেড থকা বিজুলী বিচনীখনৰ সম্পূৰ্ণ এপাক ঘূৰণত দুবাৰ অৰ্থাৎ দুটা ক্ৰমত ($180^0$ আৰু $360^0$ ঘূৰণত) একে দেখা গৈছে। গতিকে, দুখন ব্লেড থকা বিজুলী বিচনীখনৰ ঘূৰণ সমমিতিৰ ক্ৰম 2।

তিনিখন ব্লেড থকা বিজুলী বিচনীৰ ক্ষেত্ৰত ঘূৰণ সমমিতি আছেনে? যদি আছে ইয়াৰ ঘূৰণ সমমিতিৰ ক্ৰম কিমান হ'ব?

চিত্ৰ- 14.19 লৈ মন কৰা ই তিনিখন ব্লেড থকা বিজুলী বিচনীৰ আৰ্হি। বিচনীখনৰ তিনিখন ব্লেডৰ পাৰস্পৰিক মধ্যৱৰ্তী কোণবোৰ সমান আৰু দুখন ওচৰা-ওচৰি ব্লেডৰ মাজৰ কোণ হ'ল $360^0 \div 3 = 120^0$ বিজুলী বিচনীখনৰ সোঁমাজৰ ধুৰাডালক আশ্ৰয় কৰি ইয়াক $120^0$ কোণত ঘূৰালে ব্লেডকেইখনৰ অৱস্থান সলনি হ'ব যদিও দেখাত আগৰ দৰেই থাকিব। আকৌ $120^0$ কোণত অৰ্থাৎ প্ৰথম অৱস্থানৰ পৰা $120^0+120^0= 240^0$ কোণত ঘূৰালে ব্লেডবোৰৰ অৱস্থান আকৌ সলনি হ'ব কিন্তু দেখাত আগৰ




চিত্ৰ- 14.19

দৰেই হ'ব।

পুনৰ $120^0$ কোণত অৰ্থাৎ প্ৰথম অৱস্থানৰ পৰা $120^0+120^0+120^0 = 360^0$ কোণত ঘূৰালে ব্লেডবোৰে আৰম্ভণিৰে অৱস্থান পাব অৰ্থাৎ দেখাত একেই থাকিব।

গতিকে বিচনীখনৰ সম্পূৰ্ণ এপাকত ইয়াক তিনিবাৰ যেনে $120^0$, $240^0$ আৰু $360^0$ ঘূৰণ কোণত দেখিবলৈ একে হৈছে।

অৰ্থাৎ তিনিখন ব্লেড থকা বিজুলী বিচনী এখনৰ ঘূৰণ সমমিতি আছে আৰু ইয়াৰ ঘূৰণ সমমিতিৰ ক্ৰম হ'ল 3।

এতিয়া আমি জ্যামিতিক আকৃতিৰ ঘূৰণ সমমিতি পৰীক্ষা কৰি চাওঁ হক।

এটা সমবাহু ত্ৰিভুজ ABC লোৱা। ই এটা (ৰৈখিকভাৱে) সমমিত চিত্ৰ। ইয়াৰ সমমিতি অক্ষ তিনিডাল ক্ৰমে AD, BE আৰু CF এ O বিন্দুত কটাকটি কৰিছে। কোণ মাপকৰ সহায়ত জুখি চালে দেখিবা যে OA, OB আৰু OC ৰেখা তিনিটাই পাৰস্পৰিকভাৱে $120^0$ কোণ কৰি আছে চিত্ৰ-14.20 চোৱা।



**চিত্ৰ- 14.20**



**চিত্ৰ- 14.21**

এতিয়া এক নিৰ্দিষ্ট দিশত (যেনে ঘড়ীৰ কাঁটাৰ দিশত) O বিন্দু সাপেক্ষে ত্ৰিভুজটো $120^0$ কোণত ঘূৰালে ইয়াক আকৌ আগৰ দৰেই দেখা যাব যদিও, ত্ৰিভুজটোৰ বিন্দুবোৰৰ আগৰ অৱস্থান সলনি হ'ব। চিত্ৰ-14.21 চোৱা।

এইবাৰ O বিন্দু সাপেক্ষে ঘড়ীৰ কাঁটাৰ দিশত ত্ৰিভুজটো আকৌ $120^0$ অৰ্থাৎ প্ৰথম অৱস্থাৰ পৰা $120^0 + 120^0 = 240^0$ কোণত ঘূৰোৱা। বুজিব পাৰিছাই নিশ্চয়— নতুন অৱস্থানতো ত্ৰিভুজটো দেখিবলৈ আগৰ দৰেই হৈছে (চিত্ৰ 14.22)।



**চিত্ৰ- 14.22**




চিত্ৰ- 14.23

O বিন্দু সাপেক্ষে ঘড়ীৰ কাঁটাৰ দিশত আকৌ এবাৰ ত্ৰিভুজটো $120^0$ ঘূৰালে অৰ্থাৎ প্ৰথম অৱস্থাৰ পৰা $120^0 + 120^0 + 120^0 = 360^0$ (সম্পূৰ্ণ এপাক) ঘূৰালে ত্ৰিভুজটো চিত্ৰ 14.23 দৰে। ত্ৰিভুজৰ এই অৱস্থানটো চিত্ৰ 14.20 দৰেই।




সমদ্বিবাহু ত্ৰিভুজৰ সমমিতি ৰেখা
চিত্ৰ- 14.24

গতিকে দেখা গ'ল, সমবাহু ত্ৰিভুজটোৰ O বিন্দু সাপেক্ষে ঘূৰণত মুঠ তিনিবাৰ ($120^0$, $240^0$ আৰু $360^0$ ঘূৰণত) ই প্ৰথম অৱস্থানৰ সৈতে দেখিবলৈ একে হয়।

অৰ্থাৎ সমবাহু ত্ৰিভুজৰ ঘূৰণ সমমিতি আছে। 'O' সমবাহু ত্ৰিভুজটো ঘূৰণ কেন্দ্ৰ, ঘূৰণ সমমিতিৰ কোণবোৰ $120^0$, $240^0$ আৰু $360^0$। গতিকে, সমবাহু ত্ৰিভুজটোৰ ঘূৰণ সমমিতিৰ ক্ৰম 3।

সমদ্বিবাহু ত্ৰিভুজৰ ক্ষেত্ৰত ঘূৰণ সমমিতি কেনে হ'ব?

ওপৰৰ ত্ৰিভুজটোৰ প্ৰতিৰূপ এখন ডাঠ কাগজত আঁকি লৈ কেঁচীৰে কাটি উলিওৱা। কাটি উলিওৱা ত্ৰিভুজটো চিত্ৰত দিয়া ত্ৰিভুজটোৰ সৈতে মিলাই ইয়াৰ কোনো বিন্দুত পিন এটা পুতি লোৱা। এতিয়া ওপৰৰ ত্ৰিভুজটো এটা নিৰ্দিষ্ট দিশত (যেনে ঘড়ীৰ কাঁটাৰ দিশত) তলৰ ত্ৰিভুজটোৰ সৈতে মিলি যোৱাকৈ ঘূৰোৱা। কি দেখিলা?

তলৰ ত্ৰিভুজটোৰ সৈতে হুবহু মিলি যাবলৈ ওপৰৰ ত্ৰিভুজটো পিনটোৰ চাৰিওফালে সম্পূৰ্ণ এপাক অৰ্থাৎ $360^0$ ঘূৰাবলগীয়া নহ'লনে? অৰ্থাৎ, সমদ্বিবাহু ত্ৰিভুজটোৰ ঘূৰণ বা আৱৰ্তন কোণ $360^0$, গতিকে সমদ্বিবাহু ত্ৰিভুজটোৰ ঘূৰণ সমমিতিৰ ক্ৰম 1।

একে কৌশল প্ৰয়োগ কৰি আয়তৰ ঘূৰণ সমমিতিৰ বিষয়ে জানিব পাৰিবা।

মন কৰা যে আয়ত এটা (ৰৈখিকভাৱে) সমমিতি চিত্ৰ।

ইয়াৰ সমমিতি ৰেখা দুডাল (তলৰ চিত্ৰটোলৈ চোৱা)




চিত্ৰ- 14.25

আৱৰ্তন কেন্দ্ৰ বা ঘূৰণ কেন্দ্ৰ O সাপেক্ষে আয়তটোক কোনো নিৰ্দিষ্ট দিশত ঘূৰালে সম্পূৰ্ণ এপাকত ($360^0$) কিমানবাৰ ইয়াক প্ৰথম অৱস্থানৰ সৈতে একে দেখা যাব? দুবাৰ নহয়নে? $180^0$ আৰু $360^0$ ঘূৰণ কোণত আয়তটোক প্ৰথম অৱস্থানৰ সৈতে একে দেখা যাব। গতিকে আয়তটোৰ ঘূৰণ সমমিতিৰ ক্ৰম 2।

এইবাৰ বৰ্গ এটা লৈ তাৰ ঘূৰণ সমমিতি পৰীক্ষা কৰা।



চিত্ৰ- 14.26

বৰ্গ এক (ৰৈখিকভাৱে) সমমিত চিত্ৰ। ইয়াৰ সমমিতি ৰেখা চাৰিডাল (ওপৰৰ চিত্ৰটো চোৱা)। O বিন্দু সাপেক্ষে বৰ্গটোক ঘড়ীৰ কাঁটাৰ দিশত সম্পূৰ্ণ এপাক (অৰ্থাৎ $360^0$) ত ঘূৰালে কেইবাৰ ই প্ৰথম অৱস্থানৰ সৈতে দেখিবলৈ একে হ'ব? মন কৰা, $90^0$, $180^0$, $270^0$ আৰু $360^0$ ঘূৰণত বৰ্গটো প্ৰথম অৱস্থানৰ সৈতে দেখিবলৈ একে হ'ব।

গতিকে বৰ্গৰ ঘূৰ্ণন সমমিতিৰ ক্ৰম 4 ইয়াৰ ঘূৰ্ণন কোণবোৰ $90^0$, $180^0$, $270^0$ আৰু $360^0$, O বৰ্গটোৰ ঘূৰ্ণন বা আৱৰ্তন কেন্দ্ৰ। তোমাৰ বন্ধুৰ সৈতে একেলগে বহি আলোচনা কৰা আৰু উলিয়াবলৈ চেষ্টা কৰা—

(i) সামন্তৰিক আৰু ৰম্বাচৰ ঘূৰণ সমমিতিৰ ক্ৰম কি হ'ব। এই ক্ষেত্ৰত ঘূৰ্ণন কেন্দ্ৰ কি ল'বা?

(ii) তলৰ চিত্ৰবোৰৰ চিহ্নিত ঘূৰ্ণন কেন্দ্ৰ সাপেক্ষে ঘূৰ্ণন সমমিতিৰ ক্ৰম উলিওৱা।



চিত্ৰ- 14.27

ঘৰে বাহিৰে বিভিন্ন ক্ষেত্ৰত আমি ঘূৰ্ণন সমমিতিৰ বিভিন্ন উদাহৰণ দেখিবলৈ পাওঁ নহয়নে?

আঞ্জা খোৱা কিছুমান পাচলি যেনে — তিয়ঁহ, জিকা, তিতা কেৰেলা আদিৰ প্ৰস্থচ্ছেদ বোৰত ঘূৰ্ণন সমমিতি লক্ষ্য কৰা যায়। নেমু, কৰ্দৈ, ৰবাব টেঙা আদিৰ প্ৰস্থচ্ছেদতো ঘূৰণ সমমিতি দেখা যায়।


তিয়ঁহৰ প্ৰস্থচ্ছেদ


তিতা কেৰেলাৰ দীৰ্ঘচ্ছেদ


জিকাৰ প্ৰস্থচ্ছেদ

চিত্ৰ- 14.28

বিভিন্ন প্ৰকাৰৰ চিনামাটিৰ থাল, প্লেট আদিৰ প্ৰায়ভাগতে ঘূৰ্ণন সমমিতি থাকে।
ড্ৰয়িং ৰুমত সজাই থোৱা ফুলাম জাপি কিছুমানতো ঘূৰ্ণন সমমিতি থাকে।

**অনুশীলনী- 14.2**

1. নিম্নোক্ত আকৃতিসমূহৰ পৰা চিহ্নিত ঘূৰণ কেন্দ্ৰ সাপেক্ষে একাধিক ক্ৰমৰ ঘূৰ্ণন সমমিতি থকা আকৃতিবোৰ বাছি উলিওৱা আৰু ঘূৰ্ণন সমমিতিৰ ক্ৰমবোৰ উল্লেখ কৰা।




2. তলৰ আকৃতিবোৰৰ ঘূৰ্ণন সমমিতি পৰীক্ষা কৰা। লগতে ঘূৰ্ণন কেন্দ্ৰ, ঘূৰ্ণন সমমিতিৰ কোণ আৰু ক্ৰমবোৰ উল্লেখ কৰা।




## 14.4 ঘূৰ্ণন আৰু বৈখিক সমমিতিঃ

এতিয়ালৈ কৰা আলোচনাৰ পৰা আমি দেখিলো যে সমমিতিৰ ধাৰণা দুই ধৰণে আগবঢ়াব পাৰি — বৈখিক সমমিতি আৰু ঘূৰ্ণন সমমিতি।

বৈখিক সমমিতিৰ সৈতে সমমিতি ৰেখাৰ যিদৰে সম্পৰ্ক থাকে, ঘূৰণ সমমিতিৰ সৈতে ঘূৰণ সমমিতিৰ ক্ৰমৰ সম্পৰ্ক থাকে।

আকৃতিসমূহৰ বৈখিক সমমিতিৰ সৈতে ঘূৰণ সমমিতিৰ কিবা সম্পৰ্ক আছেনে?